(শিশু শিতান)

# মানবীয়তা

✍কাব্যশ্ৰী বৰুৱা

আমাৰ সমাজখনক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰি বৈজ্ঞানিক মনস্কতাৰ পথেৰে আগুৱাই নিবলৈ আমাৰ মাজৰে বহুতো মহান লোকে অফুৰন্ত চেষ্টা আৰু ত্যাগ কৰাৰ লগতে শ্বহীদ পৰ্যন্ত হ'বলৈ কুণ্ঠাবোধ কৰা নাই।সেই মহান ব্যক্তিসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই আজিৰ লিখনি আগবঢ়াইছোঁ।

আমি বৰ্তমান প্ৰগতিশীল সভ্য সমাজত বসবাস কৰি আছোঁ। আদিম অৱস্থাত মানুহে জীৱ-জন্তুৰ নিচিনাকৈ বসবাস কৰিছিল আৰু তেওঁলোঁক ক্ৰুৰ স্বভাৱৰ আছিল। সভ্যতাৰ সংজ্ঞা হৈছে বিজ্ঞানসন্মত বা উন্নতমানৰ জীৱন ধাৰণ কৰা পদ্ধতি য'ত পৰম্পৰা,সংস্কৃতি,সাজ-পাৰ, খাদ্যাভাস আৰু আচৰণে অৰিহণা যোগায়। আমি বাৰু সভ্যতাৰ এই সংজ্ঞা অনুসৰি চলিব পাৰিছোঁনে? প্ৰকৃততে আমি ইয়াৰ এটাও নিয়ম মানি চলা নাই।

প্ৰথমে আহিছোঁ বিজ্ঞানসন্মত বা উন্নত জীৱন-ধাৰণৰ পদ্ধতিলৈ। আমাৰ একাংশ মানুহে বহুত উন্নত আৰু আৰামদায়ক জীৱন ধাৰণ কৰিছে যে নিজৰ স্বাস্থ্য ৰক্ষাৰ কথা পাহৰিয়েই পেলাইছে। অন্যহাতে দৰিদ্ৰ লোঁকসকলৰ আৰ্থিক অৱস্থা দিনক দিনে অধিক শোচনীয় হৈহে গৈছে।প্ৰকৃতাৰ্থত 'উন্নত' মানে হৈছে সমাজৰ সকলো স্তৰৰ মানুহ সকলো দিশত সমানে আগুৱাই যোৱা।

দ্বিতীয়তে আহিছোঁ পৰম্পৰা- সংস্কৃতি, আচৰণ,খাদ্যাভাস আদিলৈ। আমি নিজ পৰম্পৰা-সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি ধাৱমান হৈছোঁ। ভাৰতবৰ্ষক নালাগে সমগ্ৰ বিশ্বৰ মানৱে ব্যস্ততাৰ তাড়নাত নিজৰ পৰম্পৰাক পাহৰি যোৱাৰ দৰে হৈছে। আমি প্ৰকৃত খাদ্য খাইছোঁনে? বৰ্তমান প্ৰায় সকলো খাদ্যতে ৰাসায়নিক দ্ৰব্য মিহলোৱা হয়। আচৰণৰ ক্ষেত্ৰতো আমাৰ অৱস্থা দিনক দিনে পুতৌজনক হৈ গৈছে। পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ সম্পৰ্ক, ভাতৃ-ভগ্নীৰ মাজৰ সম্পৰ্ক এই সকলোবোৰতে সময়ে এটা বিৰাট পৰিৱৰ্তন আনি দিছে। এতিয়া পৰ্যৱেক্ষন কৰক আমি সভ্য হিচাপে

উন্নতমানৰ জীৱন ধাৰণ কৰিছোঁ নে? নে মানুহ হিচাপে আমি দিনক-দিনে পিছপৰিহে গৈছোঁ? কিন্তু এটা কথা আমি মনত ৰাখিব লাগিব যে আদিম মানৱে সভ্য হোৱাৰ আগতে সমিলমিলেৰে থাকিছিল আৰু সেই একতাৰ বলতে তেওঁলোঁক বিজ্ঞানৰ জখলাত বগাবলৈ আৰম্ভ কৰিছিল।

প্ৰকৃততে আমি শিক্ষা গ্ৰহণ কৰি থকাৰ সময়ত শিকিছিলোঁ যে আমি সকলোৱে দুখীয়া-দৰিদ্ৰ লোকক সহায় কৰিব লাগে। কিন্তু আমি সুধিবলৈ পাহৰি গ'লোঁ 'দুখীয়া-দৰিদ্ৰ কোনবোৰ?' বিজ্ঞানৰ ক্ষেত্ৰটো সেই একেই



হৈছে ; আমি শিকিলো যে বিজ্ঞানসন্মত ভাৱে সকলোৱে আগুৱাই যাব লাগে। কিন্তু আমি সুধিবলৈ পাহৰি গ'লোঁ যে 'কেতিয়া কোনটো দিশত বিজ্ঞানসন্মত ভাৱে আগুৱাই যাব লাগে?' ভোগ-লালসাৰ মায়াজালত আৱদ্ধ হৈ আমি অধিকাংশ লোকে শিক্ষিত হোৱাৰ পাছতো পথচ্যুত হও। যিহেতু আমাৰ সকলোৰে চিন্তা-ভাৱনা কৰাৰ শক্তি আছে, সেয়েহে এতিয়া বহল ভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে। অন্যথা আমি নিজৰ অস্তিত্বই হেৰুৱাব লগা হ'ব আৰু বয়োজ্যেষ্ঠই যি দিশে আগবাঢ়ে নৱপ্ৰজন্মইও সেই দিশে আগবাঢ়ে বা সেই গুণ আয়ত্ত কৰে। যিহেতু শিক্ষা,নৱপ্ৰজন্ম আৰু সভ্যতা বিজ্ঞানৰ লগত পোনপটীয়াকৈ জড়িত হৈ আছে, সেয়েহে আমি মানৱীয় গুণ আয়ত্ত কৰি নিজকে প্ৰকৃত মানৱৰূপে গঢ় দিব লাগিব আৰু ঠেক মনোবৃতি এৰি বহল পৰিসৰত চিন্তা কৰিবলৈ ল'ব লাগিব।যদি আমি এইখিনি গুণ আয়ত্ত কৰিব নোৱাৰোঁ,তেন্তে আমাৰ হাতৰ পৰা বিজ্ঞান নামৰ ৰত্নবিধ হেৰুৱাব লগা হ'ব।

*******************